REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-10-2023
Time :1800 Hrs.

# ASSAMESE EVENING BULLETIN

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি স্বাধীনতা সংগ্ৰামৰ মহান শ্বহীদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত অহা বছৰৰ কনকলতা বৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষে এটা ডাক টিকট মুকলি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি কনকলতা বৰুৱা সংগ্ৰহালয়, প্ৰতিমূৰ্তি নিৰ্মাণ আৰু গহপুৰ থানাৰ পুনৰ নিৰ্মাণৰ নক্সা প্ৰস্তুতৰ লগত সংগ্ৰহালয়টো নিৰ্মাণৰ বাবে ভূমিদান বিষয়টো শ্বহীদগৰাকীৰ পৰিয়ালৰ লগত আলোচনা কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

ইফালে মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ নিৰ্দেশমৰ্মে অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই আজি **১৯৪২ৰ শ্বহীদ পৰিয়াল কল্যাণ সমিতি, অসমৰ** সভাপতিৰ নেতৃত্বত অহা এটা প্ৰতিনিধিৰ দলক সাক্ষাৎ কৰে। মন্ত্ৰী শ্ৰীবৰাই ৪২ৰ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ সময়ত প্ৰাণ আহুতি দিয়া ৰাজ্যৰ মহান শ্বহীদসকলৰ পৰিয়ালৰ কল্যাণ আৰু ঢেকীয়াজুলিত এটা শ্বহীদ স্মাৰক নিৰ্মাণ সন্দৰ্ভত আলোচনা কৰে। সমিতিৰ প্ৰতিনিধি দলটোক চৰকাৰে সাম্ভাব্য সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ অধীনত নতুন মহাবিদ্যালয় নিৰ্মাণ সম্পৰ্কত এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰস্তাৱিত মহাবিদ্যালয়সমূহ গ্ৰামাঞ্চলত নিৰ্মাণ কৰাৰ বাবে অগ্ৰাধিকাৰ দিবলৈ আৰু এই সম্পৰ্কত বিতং প্ৰকল্প প্ৰতিবেদন যুগুত কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণো উপস্থিত আছিল।

০০০০০০০

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ৭১০টা গোচৰ ৰুজু  কৰি ৯১৫ টা অভিযুক্তক আটক কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, এই গোচৰসমূহ POCSO আইনৰ অধীনত গোচৰসমূহ ৰুজু কৰা হৈছে। চলিত বছৰৰ জুনৰ মাহৰ পৰা ৰাজ্যত বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আৰম্ভ হৈছে বুলি তেওঁ কয় যে, এই ব্যাধি অসমৰ পৰা নাইকিয়া কৰিবলৈ এই অভিযান চলিছে। ইফালে চাইবাৰ অপৰাধ সম্পৰ্কত শ্ৰীসিঙে কয় যে, এই অপৰাধৰ সৈতে জড়িত কোনো লোকে আত্মগোপন কৰি থাকিলেও তেনেলোকক বিচাৰি উলিওৱা হ'ব।

এইক্ষেত্ৰত অভিজ্ঞ চাইবাৰ বিশেষজ্ঞৰ সহায়ত তদন্ত চলি থকা বুলি তেওঁ উল্লেখ কৰে। অসম লোকসেৱা আয়োগৰ গোচৰ সন্দৰ্ভত সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, সমগ্ৰ কেলেংকাৰীটো বিশেষ তদন্তকাৰী গোটৰ নিৰীক্ষণত আছে আৰু দোষীয়ে শাস্তি লাভ কৰিবই। আজি সংবাদমেলৰ জৰিয়তে তেওঁ অসম আৰক্ষীৰ উপ আৰক্ষী অধীক্ষক লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰাৰ বাবে উৎফুল্লিত বুলি কৈ খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০

বিত্ত, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অজন্তা নেওগে আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাত এখন জনসজাগতা সভাত অংশগ্ৰহণ কৰে। আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ লগত সংগতি ৰাখি মহিলাৰ সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণ সন্দৰ্ভত ৰাজ্যৰ চাহ বাগিচা অঞ্চলত মাহজোৰা জন সজাগতা অভিযানৰ অংশৰূপে আয়োজন কৰা এই সভাত মন্ত্ৰীগৰাকীয়ে বাগিচাৰ মহিলাসকলক শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে সমাজ কল্যাণ বিভাগৰ বিষয়াসকলক চাহ বাগিচালৈ গৈ সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈকো নিৰ্দেশ প্ৰদান কৰে। তদুপৰি বাগিচা অঞ্চলত সুৰা আৰু বিভিন্ন মাদক দ্ৰব্য নিবাৰণৰ বাবে আহ্বান জনোৱাৰ লগতে মহিলাৰ সুৰক্ষাৰ বাবে ১৮১ নম্বৰত যোগাযোগ কৰিবলৈ কয়। সভাত সাংসদ পল্লৱ লোচন দাস, বিধায়ক কৃষ্ণ কমল তাঁতী, গণেশ লিম্বু, প্ৰমোদ বৰঠাকুৰ, পৃথ্বিৰাজ ৰাভাকে ধৰি জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগে যোৰহাট আৰ্বৰ্ত ভৱনত মিছন বসুন্ধৰা 2.0 ৰ মহকুমা পৰ্যায়ৰ ভূমি উপদেষ্টা কমিটীৰ বৈঠকত অংশগ্ৰহণ কৰি আঁচনিখনৰ সফল ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। আন এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলা পৰ্যায়ৰ অৰুণোদয় 2.0 ৰ কাম-কাজৰ বুজ লয়। বৈঠকত সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু ভাস্কৰজ্যোতি বৰুৱাৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে অসম মাইক্ৰ' ফাইনেন্স উদ্গনি আৰু সকাহ আঁচনি, ২০২১-ৰ অধীনত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০০০০

চৰাইদেউ জিলাৰ ঐতিহাসিক চৰাইদেউ মৈদামৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ স্বীকৃতি লাভ সম্পৰ্কত পৰ্যবেক্ষণ কৰাৰ বাবে অহা ৭ অক্টোবৰত ইউনেস্ক'ৰ এটা সঁজাতি দল মৈদামথলীত উপস্থিত হ'ব। আজি চৰাইদেউত উপস্থিত হৈ ৰাজ্যৰ জনজাতীয় বিশ্বাস আৰু সংস্কৃতি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাই এই দিশৰ সকলো কাম-কাজ তদাৰক কৰে। মন্ত্ৰীগৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হৈ কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মানচিত্ৰত যাতে চৰাইদেউৰ নাম অন্তৰ্ভুক্ত হয়, সেই সম্পৰ্কে নিৰীক্ষণ কৰিবলৈ যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০০০০

এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত অসমৰ লাভলীনা বৰগোহাঁয়ে ৰূপৰ পদক অৰ্জন কৰিছে। আজি অনুষ্ঠিত চূড়ান্ত খেলখনত লাভলীনাই চীনৰ লী-কিয়ানৰ হাতত পৰাভূত হয়। খেলুৱৈগৰাকীয়ে কালি অনুষ্ঠিত ছেমি ফাইনেলত থাইলেণ্ডৰ বেইছন মানিকনক ৫-০ ফলাফলত পৰাভূত কৰিছিল। ইয়াৰ ফলত লাভলীনাই পেৰিছ অলিম্পিকলৈ বাছনি লাভ কৰে। আজিৰ খেলখনত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ পাছতো পৰাজয় বৰণ কৰি খেলুৱৈগৰাকী ৰূপৰ পদকতে সন্তুষ্ট হ'বলগীয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ বাবে লাভলীনাক অভিনন্দন জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈগৰাকীৰ ধাৰাবাহিক সাফল্যই বিশেষকৈ মহিলা আৰু যুৱতীসকলক সকলো প্ৰত্যাহ্বান নেওচি সপোন বাস্তৱায়িত কৰাৰ দিশে অগ্ৰসৰ হ'বলৈ উৎসাহিত কৰিছে। মুখ্যমন্ত্ৰীয়ে খেলুৱৈগৰাকীক পেৰিছ অলিম্পিকৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০